# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-03-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে গোলকীয় প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে সমন্বিত প্ৰচেষ্টা আৰু ৰাষ্ট্ৰীয় একতাত গুৰুত্ব আৰোপ কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পশ্চিম এছিয়াৰ পৰিৱৰ্তিত প্ৰেক্ষাপটলৈ চাই সক্ৰিয়, সমন্বিত আৰু দূৰদৰ্শী দৃষ্টিভংগী গ্ৰহণ কৰাৰ পোষকতা কৰিছে।

৪। ভাৰতত মীন পালন জীৱিকা তথা খাদ্য সুৰক্ষাৰ গুৰুত্বপূৰ্ণ উৎস বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলকীয় প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ বাবে সমন্বিত প্ৰচেষ্টা আৰু ৰাষ্ট্ৰীয় একতাত গুৰুত্ব আৰোপ কৰিছে। পশ্চিম এছিয়াত চলি থকা সংঘৰ্ষময় পৰিস্থিতি সন্দৰ্ভত তেওঁ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে বিতংভাৱে আলোচনা কৰাৰ কথা প্ৰকাশ কৰে। কালি উত্তৰ প্ৰদেশৰ গৌতম বুদ্ধ নগৰ জিলাৰ নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায় উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পশ্চিম এছিয়াৰ পৰিৰৰ্তিত প্ৰেক্ষাপটলৈ চাই সক্ৰিয়, সমন্বিত আৰু দূৰদৰ্শী দৃষ্টিভংগী গ্ৰহণ কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে আৰু সতৰ্ক হৈ থকাৰ পোষকতা কৰিছে। নতুন দিল্লীত কালি সন্ধিয়া কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীক লৈ গঠিত অনানুষ্ঠানিক মন্ত্ৰী গোটৰ বৈঠকত অধ্যক্ষতা কৰি শ্ৰীসিঙে এইদৰে মত প্ৰকাশ কৰে। বৈঠকত নিৰ্মলা সীতাৰমন, হৰদীপ সিং পুৰী, জে পি নাড্ডা, জিতেন্দ্ৰ সিং, কে ৰামমোহন নাইডু আৰু আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে।

পশ্চিম এছিয়াৰ বৰ্তমানৰ সংঘাতৰ পৰিপ্ৰেক্ষিতত শক্তি যোগান শৃংখলাৰ বিপদাশংকা, অত্যাৱশ্যকীয় সামগ্ৰীৰ ঘৰুৱা উপলভ্যতা, গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিৰ পুনৰুত্থান ক্ষমতা, দেশৰ যোগান শৃংখলা শক্তিৰ পৰ্যালোচনাৰ উদ্দেশ্যে বৈঠকৰ আহ্বান কৰা হয় বুলি প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বৈঠকত শ্ৰীসিঙে সচিবসকলৰ ক্ষমতাপ্ৰাপ্ত গোটসমূহক পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ, দীৰ্ঘকালীন প্ৰস্তুতিৰ দৃষ্টিভংগী গ্ৰহণ কৰিবলৈ, উচ্চ পৰ্যায়ৰ সমন্বয় বৰ্তাই ৰাখিবলৈ আৰু ক্ষীপ্ৰ সিদ্ধান্ত গ্ৰহণ সুনিশ্চিত কৰিবলৈ দিহা পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে নীতিগত সকলো প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আৰু সময় নিৰ্ধাৰিত ৰূপায়ণ সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰতৰ শক্তিশালী স্থিতি অক্ষুন্ন ৰখা আৰু যিকোনো পৰিস্থিতিৰ বাবে দেশক সাজু কৰি ৰখা সন্দৰ্ভত সংশ্লিষ্ট মন্ত্ৰীসকলৰ পৰা গঠনমূলক দিহা পৰামৰ্শ বিচাৰে।

বৈঠকত জনসাধাৰণক সঠিক তথ্য যোগানৰ লগতে উৰা বাতৰি, অপপ্ৰচাৰ আৰু ভুৱা বাতৰি প্ৰতিহত কৰাৰ উদ্দেশ্যে  সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কীয় যাৱতীয় তথ্য, শেহতীয়া ঘটনাক্ৰম আৰু পৰামৰ্শ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ হোৱাটছএপ' চেনেল যোগে অৱগত কৰিবলৈ সকলো মন্ত্ৰালয় আৰু বিভাগক নিৰ্দেশ দিয়া হয়।

০০০০০

ভাৰতত মীন পালন জীৱিকা তথা খাদ্য সুৰক্ষাৰ গুৰুত্বপূৰ্ণ উৎস আৰু খণ্ডটোৱে ক্ষুদ্ৰ আৰু পৰম্পৰাগত মাছুৱৈসহ ৯০ লাখৰো অধিক মাছমৰীয়াক  জীৱিকাৰ সন্ধান দিছে বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে প্ৰকাশ কৰিছে। কেমেৰুণৰ য়াউণ্ডেত অনুষ্ঠিত বিশ্ব বাণিজ্য সংস্থাৰ চতুৰ্দশ মন্ত্ৰী পৰ্যায়ৰ সন্মিলনত মীন পালন ৰাজ সাহায্য সম্পৰ্কীয় এখন বৈঠকত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কালি এইদৰে প্ৰকাশ কৰে। শ্ৰীগোৱেলে সামাজিক মাধ্যম যোগে কয়, যে বৈঠকত তেওঁ মাছ ধৰাৰ ক্ষেত্ৰত আৰোপ কৰা বাৰ্ষিক নিষেধাজ্ঞাকে ধৰি ভাৰতৰ সক্ৰিয় আৰু ঐতিহাসক সংৰক্ষণ প্ৰচেষ্টাৰ বিষয়ে আলোকপাত কৰে। তেওঁ ভৱিষ্যতে নিৰপেক্ষ সিদ্ধান্তৰ পথ প্ৰশস্ত কৰাৰ লগতে এনে সিদ্ধান্তসমূহে যাতে দুৰ্বল সম্প্ৰদায়সমূহৰ মাজত বৈষম্যমূলক প্ৰভাৱ নেপেলায় সেয়া সুনিশ্চিত কৰাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

শ্ৰীগোৱেলে লগতে বিশ্ব বাণিজ্য সংস্থাৰ সন্মিলনত ভাগ লোৱাৰ সুযোগতে মজামবিকৰ অৰ্থব্যৱস্থা বিভাগৰ মন্ত্ৰী বেচিলিঅ' জেফানিয়াছ মুহাতেক সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই সন্মিলনত বিষয়বস্তু আৰু উভয় দেশৰ মাজত গুৰুত্বপূৰ্ণ খণ্ডসমূহত বাণিজ্য আৰু বিনিয়োগ সুদৃঢ় কৰাৰ বিষয়ে মত বিনিময় কৰে।

০০০০০

বিজেপি জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ **মেৰা বুথ সবচে মজবুত** কাৰ্যসূচীৰ অধীনত নমো এপ'ৰ মাধ্যমেৰে অসম আৰু পুডুচেৰীৰ দলীয় কৰ্মীসকলক সম্বোধন কৰিব। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে কয়, যে বিগত দশকত অসমৰ প্ৰগতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে আৰু ৰাজ্যখন সকলো

ক্ষেত্ৰত উন্নয়নমুখী যাত্ৰাৰ বাবে জনাজাত হৈ পৰিছে। শ্ৰীমোদীয়ে কয়, যে এনে উন্নয়নমূলক কাম-কাজৰ বাবে জনসাধাৰণে দ্বৈত ইঞ্জিন যুক্ত এন ডি এ চৰকাৰক পৰৱৰ্তী ৫ বছৰৰ বাবে সুযোগ দিয়াৰ সিদ্ধান্ত লৈছে।

শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ আন এটা পোষ্টত কয়, যে দ্বৈত ইঞ্জিনযুক্ত এন ডি এ চৰকাৰে বিগত ৫ বছৰত পুডুচেৰীৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে পুডুচেৰীৰ দলীয় কৰ্মীসকলৰ সৈতে আলোচনা কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে।

০০০০০০

জেনেভাত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ ৬১ সংখ্যক সত্ৰত ভালেসংখ্যক ইউৰোপীয় ৰাজনৈতিক, প্ৰচাৰক আৰু ৰাজনৈতিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। তেওঁলোকে ইউৰোপীয় সংঘৰ দ্বাৰা পাকিস্তানক প্ৰদান কৰা বিশেষ ব্যৱসায়িক মৰ্যাদা সন্দৰ্ভত অধিক সূক্ষ্মভাৱে নিৰীক্ষণ কৰাৰ আহ্বান জনাইছে। কিয়নো দেশখনত মানৱ অধিকাৰ উলংঘনৰ ঘটনাই অভিলেখ সৃষ্টি কৰিছে। ইউ টুডেত প্ৰকাশিত এখন প্ৰতিবেদন অনুসৰি পাকিস্তানৰ জি এছ পি প্লাছ মৰ্যাদা ঃ চৰ্ত সাপেক্ষ মানৱ অধিকাৰ, সন্ধিৰ বাধ্যবাধকতা আৰু জবাবদিহিতা শীৰ্ষক এখন বৈঠকত ধৰ্মীয় নিৰ্যাতন, ৰাজনৈতিক দমন, বলপূৰ্বক নিৰুদ্দেশ আৰু মৌলিক অধিকাৰ সুৰক্ষিত কৰাত চৰকাৰ ধাৰাবাহিকবাৰে ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। গ্ৰীচৰ সংসদ নিকুলাউচ ভ্ৰেটছে ধৰ্মীয় সংখ্যালঘু বিশেষকৈ খ্ৰীষ্টানসকলৰ দুদৰ্শা সন্দৰ্ভত আলোকপাত কৰি কয়, যে পাকিস্তানৰ আইনসমূহে হিংসা, কাৰাদণ্ড আৰু ভয়ভীতিৰ পৰিৱেশত ইন্ধন যোগাইছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ১৯ সংখ্যক সংস্কৰণ কালি বাংগালুৰুত আৰম্ভ হয়। বাংগালুৰু এম ছিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন খেলত যোৱাবাৰৰ চেম্পিয়ন ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৬ উইকেটত পৰাস্ত কৰে। বাংগালুৰু দলে ২০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ আৰু ৪টা বলত ৪টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ লগে লগে দলটোৱে আই পি এলৰ ইতিহাসত আটাইতকৈ কম বলত ২০০তকৈও অধিক ৰানৰ লক্ষ্য সফলতাৰে অতিক্ৰম কৰাৰ কৃতিত্ব অৰ্জন কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ হৈ বিৰাট কোহলিয়ে সৰ্বাধিক ৬৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। দেৱদত্ত পদিক্কলে ৬১ আৰু ৰজত পাতিদাৰে ৩১ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে ছান ৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথম বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ২০১ ৰান কৰে। দলৰ হৈ ঈশান কিষানে ৩৮টা বলত ৮০ ৰান কৰে। প্ৰথমবাৰৰ বাবে আই পি এলত ভাগ লোৱা জেকব ডফীয়ে বাংগালুৰুৰ হৈ তিনিটা উইকেট দখল কৰে। ডফীক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আৰু মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

বিৰাট কোহলি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্য অনুসৰণ কৰি ৪ হাজাৰৰ অধিক ৰান কৰা প্ৰথমগৰাকী বেটছমেন ৰূপে পৰিগণিত হৈছে। ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু আৰু ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত কালি বাংগালুৰুত অনুষ্ঠিত এইবাৰৰ আই পি এলৰ প্ৰথমখন খেলত কোহলিয়ে এই কৃতিত্ব অৰ্জন কৰে। বিৰাট

কোহলিয়ে লগতে কালিৰ প্ৰদৰ্শনৰ সুবাদত পাকিস্তানৰ প্ৰাক্তন বেটছমেন শ্বোৱেব মালিকক অতিক্ৰম কৰি টি-টুৱেণ্টি ক্ৰিকেটত ষষ্ঠগৰাকী সৰ্বাধিক ৰান অৰ্জন কৰা খেলুৱৈ ৰূপেও পৰিগণিত হয়।

০০০০০

ছত্তিশগড়ৰ ৰায়পুৰত প্ৰথম খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আজি পঞ্চম দিনা হকী, ভাৰোত্তোলন আৰু ফুটবল অনুষ্ঠিত হ'ব। মল্লযুঁজ প্ৰতিযোগিতা সুৰজুজাত অনুষ্ঠিত হ'ব। ১৫টা সোনৰ পদকেৰে কৰ্ণাটক পদক তালিকাৰ শীৰ্ষ স্থানত আছে। ৯টা সোনৰ পদকেৰে ওড়িশা তালিকাৰ দ্বিতীয় স্থানত আছে। আনহাতে অসমে ৪টা সোণৰ পদকেৰে তালিকাৰ তৃতীয় স্থান অধিকাৰ কৰিছে।

যোৱা ২৫ মাৰ্চত আৰম্ভ হোৱা খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া অহা ৩ এপ্ৰিলত সামৰণি পৰিব। দেশৰ ৩০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩ হাজাৰতকৈও অধিক খেলুৱৈয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। এই প্ৰতিযোগিতাত মুঠ ৭টা খেল অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

**সমাপ্ত**